# Prime Minister's interaction with the Indian Community and Friends of India in Bali, Indonesia

November 15, 2022

## প্ৰধানমন্ত্ৰীয়ে ইন্দোনেছিয়াৰ বালিত ভাৰতীয় বংশোদ্‌ভুত আৰু ভাৰতৰ বন্ধুসকলৰ সৈতে মতবিনিময় কৰে

নৱেম্বৰ 15, 2022

প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীয়ে ১৫ নবেম্বৰত ইন্দোনেছিয়াৰ বালিত ৮০০জনৰো অধিক ভাৰতীয় বংশোদ্‌ভুত আৰু ভাৰতৰ বন্ধুসকলৰ সৈতে মতবিনিময় কৰে। ইন্দোনেছিয়াৰ বিভিন্ন প্ৰান্তৰ পৰা এই প্ৰাণৱন্ত লোকসকল একত্ৰিত হৈছিল।

2.তেওঁৰ ভাষণত প্ৰধানমন্ত্ৰীয়ে ভাৰতীয় আৰু ইন্দোনেছীয় সভ্যতাৰ মাজত নিবিড় যোগাযোগৰ কথা উল্লেখ কৰে। তেওঁ কয়, 'বালি যাত্ৰা'ৰ দৰে প্ৰাচীন প্ৰথাই উভয় দেশৰ মাজত সাংস্কৃতিক আৰু বাণিজ্যিক যোগাযোগৰ বিষয়টোক তুলি ধৰে। দুয়োখন দেশৰ বিভিন্ন ক্ষেত্ৰত সাদৃশ্যৰ প্ৰসঙ্গও প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

3.শ্ৰী মোদীয়ে ভাৰতীয় সম্প্ৰদায়ৰ কঠোৰ পৰিশ্ৰম আৰু অধ্যৱসায়ৰ স্বভাৱজাত দিশটো উল্লেখ কৰে। ইয়াৰ ফলত বিদেশত বসবাস কৰি থকা ভাৰতীয়সকলে দেশৰ মুখ উজ্জ্বল কৰিছে বুলি তেওঁ মন্তব্য কৰে। ভাৰত-ইন্দোনেছিয়াৰ মাজত সম্পৰ্কৰ ইতিবাচক দিশৰ কথা উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই সম্পৰ্কক মজবুত কৰাৰ ক্ষেত্ৰত ইন্দোনেছিয়াত বসবাস কৰি থকা ভাৰতীয়সকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

4.প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ বিকাশ যাত্ৰা আৰু বিভিন্ন ক্ষেত্ৰৰ সাফল্যৰ কথা উল্লেখ কৰে। ডিজিটেল প্ৰযুক্তি, অৰ্থ, স্বাস্থ্য, টেলিকম আৰু মহাকাশৰ দৰে নানা ক্ষেত্ৰত ভাৰত আগুৱাই গৈছে। বিশ্বৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক চাহিদাৰ দিশটো বিবেচনা কৰি ভাৰতৰ উন্নয়নৰ পৰিকল্পনা কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। আত্মনিৰ্ভৰ ভাৰতে বিশ্বৰ কল্যাণ নিশ্চিত কৰিব।

5.প্ৰধানমন্ত্ৰীয়ে অহা ৮-১০ জানুৱাৰীত মধ্যপ্ৰদেশৰ ইন্দোৰত প্ৰবাসী ভাৰতীয় দিৱস সন্মিলনত যোগ দিবলৈ ইন্দোনেছিয়াত বসবাস কৰি থকা ভাৰতীয় আৰু ভাৰতৰ বন্ধুসকলক আমন্ত্ৰণ জনায়। ইয়াৰ উপৰিও এই অনুষ্ঠানৰ পাছত গুজৰাটত যি ঘুড়ি উৎসৱৰ আয়োজন কৰা হৈছে তালৈও তেওঁ সকলোকে অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনায়।

**বালি**

**নৱেম্বৰ 15, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.